# প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যসূচী

# (ডি এল এড)

## পাঠ্যসূচী-৫০২

## খণ্ড - ৪

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় অনুষ্ঠান

A-২৪/২৫, আনুষ্ঠানিক ক্ষেত্ৰ, চেক্টৰ-৬২, নয়ডা

গৌতমবুদ্ধ নগৰ, উত্তৰ প্ৰদেশ - ২০১৩০৯

বেৱচাইট ঃ ডব্লিউ ডব্লিউ ডব্লিউ. এন আই, ও, এচ. এচি. ইন

# অধ্যায় ১৪ ঃ শিক্ষণ আৰু মান নিৰ্ধাৰণ

**অধ্যায় গাঁথনি ঃ**

১৪.০ পৰিচয়

১৪.১ শিক্ষণ উদ্দেশ্য

১৪.২ শিক্ষণ আৰু মান নিৰ্ধাৰণ

১৪.২.১ শিক্ষণৰ মান নিৰ্ধাৰণ

১৪.২.২ শিক্ষণৰ বাবেমান নিৰ্ধাৰণ

১৪.২.৩ শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণ

১৪.৩ মান নিৰ্ধাৰণৰ পৰিকল্পনাৰ নক্সা

১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলো

১৪.৫ অগ্ৰগতি নিৰীক্ষণৰ বাবে আৰ্হি উত্তৰ

১৪.৬ অধিক জানিবলৈ আৰু প্ৰসংগ পুথিসমূহ

১৪.৭ অধ্যায় শেষৰ অনুশীলনীৰে

# শিক্ষণ আৰু মান নিৰ্ধাৰণ
## Learning and Assessment

**১৪.০ পৰিচয় ঃ**

আপোনালোকে নিশ্চয় লক্ষ্য কৰিছে যে এই পাঠ্যক্ৰমৰ সকলো ভাগতে শিক্ষণ আৰু শিক্ষণ-কেন্দ্ৰিক শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। "শিশুৱে কেনেকৈ শিকে?" আৰু "শিক্ষণৰ অধিক্যৰ বাবে কোনবোৰ পথ সুবিধাদানকাৰী?" ইত্যাদিবোৰ শ্ৰেণীৰ প্ৰক্ৰিয়াত আলোচিত বিভিন্ন দিশসমূহ। শিকণ, শিক্ষণ-শিকন সামগ্ৰীসমূহ, শ্ৰেণীকোঠা পৰিচালনা, মান নিৰ্ধাৰণ আৰু মূল্যায়ণ আৰু অন্য ধৰণৰ তেনে শ্ৰেণী প্ৰক্ৰিয়াৰ লগত সম্পৰ্কিত কথাবোৰ শিক্ষণৰ সুবিধাদানকাৰী উপাদান স্বৰূপে শিক্ষাৰ্থীক শিকাৰ ক্ষেত্ৰত সহায় কৰে।

প্ৰচলিত আছে যে, আমাৰ স্কুলত শিক্ষণ আৰু মূল্যায়ন প্ৰক্ৰিয়াসমূহে শ্ৰেণীৰ ভিতৰৰ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতাৰ বাবে উৎসাহিত কৰে। যিকোনো এটা শ্ৰেণী পৰীক্ষাৰ শেষত আমি নিজকে সন্তুষ্ট কৰিবলৈ ফলাফলৰ বিশ্লেষণৰ চেষ্টা কৰো— কিছুমান প্ৰশ্নৰ উত্তৰ জানি লৈ যেনে— "কোন প্ৰথম বা দ্বিতীয় হ'ল বা তৃতীয় হ'ল...?" বা কিমানে A-গ্ৰেড, B-গ্ৰেড পালে? বা "কিমানে ভাষাত ৩০% নেপাই অনুত্তীৰ্ণ হ'ল?" যিয়েই নহওক, এনেবোৰ প্ৰশ্নৰ জৰিয়তে আমি শিক্ষাৰ্থীসকলৰ নম্বৰ বা গ্ৰেডৰ ওপৰত ভিত্তি কৰি পাৰ্থক্য নিৰ্ণয় কৰিব পাৰো। এই নম্বৰ বা গ্ৰেডসমূহ পৰীক্ষা বা আন মানদণ্ড নিৰ্ধাৰণৰ আহিলা ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা অনুযায়ী প্ৰদান কৰা হয়।

ফলাফলৰ ওপৰত ভিত্তি কৰি, কেতিয়াবা আমি ছাত্ৰ-ছাত্ৰীৰ দল গঠন কৰো যাতে তেওঁলোকৰ কৃতিত্বৰ উন্নতিৰ বাবে পৃথক নিৰ্দেশনা দিব পৰা যায়। উদাহৰণস্বৰূপে, পঞ্চম শ্ৰেণীত নম্বৰৰ ওপৰত ভিত্তি কৰি তিনিটা দল গঠন কৰা হ'ল— এটা দলত ৬০% কৈ বেছি নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকল (উচ্চ পাৰদৰ্শিতাৰ দল), দ্বিতীয় দলটোত ৩০ৰ পৰা ৫৯% নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীসকল (সাধাৰণ পাৰদৰ্শিতাৰ দল) আৰু তৃতীয় দলত ৩০% নম্বৰকৈ কম পোৱা ছাত্ৰ-ছাত্ৰীৰ দল (নিম্ন পাৰদৰ্শিতাৰ দল)। উচ্চ পাৰদৰ্শিতা দেখুওৱা ছাত্ৰ-ছাত্ৰীসকলক গণিত বিষয়ৰ প্ৰতিযোগিতাত বৃত্তি আৰু পুৰস্কাৰ পাবলৈ অতিৰিক্ত প্ৰশিক্ষণ দিয়া হয়, আনহাতে, নিম্নমানৰ ছাত্ৰ-ছাত্ৰীসকলৰো যত্ন লোৱা হয় যাতে তেওঁলোকে ৩০%কৈ বেছি পায় আৰু তেওঁলোকক অনুত্তীৰ্ণ হিচাপে নামাকৰণ কৰা নহয়।

যদিও এনে মূল্যায়নে শ্ৰেণীৰ ভিতৰত বা একে দলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতাৰ প্ৰতি উৎসাহিত কৰে ই নিশ্চিতভাৱে দীৰ্ঘদিনলৈ পাৰ্থক্য সৃষ্টি কৰে। স্কুলীয়া শিক্ষা ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ পৰিবৰ্তন সাধিত হৈছে। এই ক্ষেত্ৰত প্ৰধান গুৰুত্ব শিকনতকৈ শিক্ষণতহে প্ৰদান কৰা হয়। শিক্ষণকেন্দ্ৰিক ব্যৱস্থাত, এইটো বিশ্বাস কৰা হয় যে সাধাৰণ শিশুৱে উচ্চ স্তৰৰ কৃতিত্ব লাভ কৰে, যদি সি/তাইক শিক্ষণৰ ক্ষেত্ৰত উপযুক্ত সুবিধা প্ৰদান কৰা হয়। এই উদ্দেশ্যত উপনীত হ'বলৈ, প্ৰচলিত প্ৰতিযোগিতাভিত্তিক পৰীক্ষাই সহায় নকৰে। ইয়াৰ পৰিবৰ্তে এনে ধৰণৰ মূল্যায়ন/মান নিৰ্ধাৰণ প্ৰয়োগ কৰিব লাগে সাফল্যৰ মানদণ্ড প্ৰকাশ হয় আৰু প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে সেই মানদণ্ডত উপনীত হ'বলৈ সক্ষম হয়। এনে মূল্যায়নত গ্ৰেড ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ ওপৰত গ্ৰেড প্ৰদান নকৰে, পাৰদৰ্শিতাৰ ওপৰতহে কৰে। কোনো 'A' গ্ৰেডৰ ছাত্ৰ-ছাত্ৰী নাথাকে, 'A' গ্ৰেডৰ পাৰদৰ্শিতাহে থাকে আৰু শিক্ষকে এনে ধৰণে মান নিৰ্ণয় আৰু শিক্ষা প্ৰদান কৰিব যাতে সকলো ছাত্ৰ-ছাত্ৰীক সফল হ'বলৈ অভিৰোচিত কৰিব পাৰে। তেনেহ'লে শিক্ষণ প্ৰক্ৰিয়াৰ মান নিৰ্ধাৰণৰ আৰু পৰিবৰ্তনীয় বিশ্বাসসমূহ কি কি?

এই অধ্যায়টোত, আপোনালোকক মান নিৰ্ধাৰণৰ বিভিন্ন আহিলা আৰু প্ৰক্ৰিয়াসমূহৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব, যিবোৰ বৰ্তমান শ্ৰেণীকোঠাত কেৱল ছাত্ৰ-ছাত্ৰীৰ মান নিৰ্ধাৰণৰ বাবে নহয় শিক্ষণৰ বাবেও প্ৰয়োগ কৰা হয়।

এই অধ্যায়টো শেষ কৰিবলৈ আপোনাক ১০ ঘণ্টা সময়ৰ প্ৰয়োজন হ'ব।

## ১৪.১ শিক্ষণ উদ্দেশ্যসমূহ ঃ

এই অধ্যায়টোৰ পৰা আপুনি—

- মান নিৰ্ধাৰণ প্ৰক্ৰিয়াক শ্ৰেণীকোঠাৰ শিক্ষণৰ বিভিন্ন স্তৰৰ সৈতে সংযোগ কৰিব পাৰিব।
- শ্ৰেণীকোঠাৰ শিক্ষণৰ সুবিধাৰ বাবে মান নিৰ্ধাৰণ আহিলাসমূহ আৰু প্ৰক্ৰিয়াসমূহ ব্যৱহাৰ কৰিব পাৰিব।
- শিক্ষণৰ উৎস হিচাপে মান নিৰ্ধাৰণৰ ব্যৱহাৰ।
- আপোনাৰ স্কুলৰ মান নিৰ্ধাৰণ কাৰ্যসূচীৰ পৰিকল্পনা।

## ১৪.২ শিক্ষণ আৰু মান নিৰ্ধাৰণ (Learning and Assessment) ঃ

আগৰ অধ্যায়ৰ পৰা আমি জানিব পাৰিলো যে শিক্ষা আৰু মান নিৰ্ধাৰণ একেলগে গতি কৰে, দুয়োটা স্পষ্ট প্ৰক্ৰিয়া। এইক্ষেত্ৰত আমি তলৰ তিনিটা পৰিবেশ চাও আহক।

**পৰিস্থিতি ১ ঃ**

মিচ সোহানাই তেওঁৰ স্কুলৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল “স্বাধীনতাৰ বাবে আমাৰ সংগ্ৰাম” পাঠটি শিকাবলৈ ৬টা শ্ৰেণী লয়। পাঠটি পঢ়োৱাৰ শেষত ছাত্ৰ-ছাত্ৰীয়ে কিমান জ্ঞান অৰ্জন কৰিলে আৰু বুজিলে তাক জানিবলৈ এটা পৰীক্ষা লয়।

**পৰিস্থিতি ২ ঃ**

মিঃ ৰোহনে চতুৰ্থ শ্ৰেণীত ভগ্নাংশৰ যোগ আৰু বিয়োগ কৰাত ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰি দেখিলে যে বহুতো ছাত্ৰ-ছাত্ৰীয়ে দুটা অপ্ৰকৃত ভগ্নাংশৰ মাজত যোগ কৰিব পৰা নাই। তেওঁ তেতিয়া প্ৰকৃত ভগ্নাংশৰ যোগৰ এটা সৰু পৰীক্ষা ল'লে (দুটা একে ভগ্নাংশৰ যোগ ল'লে, তিনিটা প্ৰকৃত আৰু অপ্ৰকৃত ভগ্নাংশ ল'লে আৰু চাৰিটা অপ্ৰকৃত ভগ্নাংশৰ যোগ ল'লে)। তেওঁ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ প্ৰতিক্ৰিয়াসমূহ বিশ্লেষণ কৰি চালে আৰু গম পালে যে প্ৰায় ৪৫% ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃত আৰু অপ্ৰকৃত ভগ্নাংশৰ যোগৰ ক্ষেত্ৰত স্পষ্ট ধাৰণা ল'ব পৰা নাই, যিবোৰে তেওঁলোকৰ দুটা অপ্ৰকৃত ভগ্নাংশৰ যোগ কৰাৰ ক্ষেত্ৰত প্ৰভাৱ পেলাইছে। তেওঁ, সেইবাবে অপ্ৰকৃত ভগ্নাংশ আৰু প্ৰকৃত ভগ্নাংশৰ সৈতে যোগ কৰাৰ ওপৰত বেছি গুৰুত্ব দিছিল, ইয়াৰ পিছত তেওঁ দুটা অপ্ৰকৃত ভগ্নাংশৰ যোগলৈ অগ্ৰসৰ হৈছিল।

**পৰিস্থিতি ৩ ঃ**

ভাষা শিক্ষক মিচ সোহাই সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ স্কুল আৰু ওচৰৰ অঞ্চলত স্বাধীনতা দিৱস উদ্‌যাপনৰ ওপৰত এক চমু বৰ্ণনা লিখিব কৈছিল। ইয়াৰ উদ্দেশ্য আছিল যে তেওঁলোকে এটা চমুটোকা লিখিব পাৰে নে চোৱা। ছাত্ৰ-ছাত্ৰীসকলে তথ্য সংগ্ৰহ কৰাৰ আগতে, তেওঁলোকে ইয়াৰ গুণসমূহৰ ওপৰত আৰু তথ্য সংগ্ৰহৰ প্ৰক্ৰিয়াৰ ওপৰত আলোচনা কৰিছিল। তেওঁলোকে স্থিৰ কৰিছিল যে এই গুণসমূহেই চমুটোকা লিখাৰো গুণ হ'ব। মিচ সোহাই স্বাধীনতাৰ বিষয়ে লিখাৰ ক্ষেত্ৰত সকলোকে স্বাধীনতা প্ৰদান কৰিছিল, তেওঁলোকে নিজে ভালপোৱা অনুযায়ী কৰিব দিছিল। যেতিয়া বিভিন্ন ঠাইত উদ্‌যাপিত হোৱা তথ্য সংগ্ৰহ কৰিছিল, তেতিয়া তেওঁলোকেএই দিৱস পালনৰ ক্ষেত্ৰত কিছুমান সাদৃশ্য আৰু বৈসাদৃশ্য লক্ষ্য কৰিছিল। তথ্য সংগ্ৰহ আৰু সংগঠনৰ প্ৰত্যেক খোজতে, প্ৰত্যেকজন ছাত্ৰই গুণসমূহ চাইছিল আৰু তেওঁলোকৰ প্ৰক্ৰিয়া উন্নত আৰু সংশোধন কৰিবলৈ চেষ্টা কৰিছিল। তাৰোপৰি তেওঁলোকে দিৱস উদ্‌যাপনৰ কিছুমান পত্ৰিকা সংগ্ৰহ কৰিছিল আৰু তাত স্থানীয় ল'ৰা-ছোৱালীৰ নাম অন্তৰ্ভুক্ত হোৱা দেখিছিল। বিৱৰণৰ মাজত বা বিৱৰণৰ শেষত তেওঁলোকে নিজৰ চিন্তাধাৰাক অন্তৰ্ভুক্ত কৰিছিল আৰু জনসাধাৰণৰ উৎসাহৰ বিষয়ে লিখিছিল। এই প্ৰকল্পটো শেষ কৰাৰ পিছত তেওঁলোকে মিচ সোহাৰ সৈতে শ্ৰেণীকোঠাত বহে আৰু ডাঙৰকৈ বিৱৰণটো পঢ়ি শুনায়। তেওঁলোকে প্ৰত্যেক বিৱৰণৰ মান নিৰ্ধাৰণৰ গুণসমূহ চাই গ্ৰেড দিব বিচাৰে। মান নিৰ্ধাৰণৰ পিছত, ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ মান নিৰ্ধাৰণৰ ওপৰত ভিত্তি কৰি বিৱৰণসমূহ আৰু উন্নত কৰিবলৈ কোৱা হয়।

**কাৰ্য্য ১ ঃ**

অলপ চিন্তা কৰি ওপৰৰ তিনিটা পৰিস্থিতিৰে মান নিৰ্ধাৰণৰ উদ্দেশ্য আৰু প্ৰক্ৰিয়াৰ মাজৰ সাদৃশ্য আৰু বৈসাদৃশ্যৰ তালিকা প্ৰস্তুত কৰক।

ওপৰৰ তিনিওটা পৰিস্থিতিৰ মান নিৰ্ধাৰণৰ উদ্দেশ্য আৰু প্ৰক্ৰিয়াৰ মাজত কিবা পাৰ্থক্য আছেনে?

প্ৰথমটো পৰিস্থিতিৰ সৈতে আমি ভালদৰে পৰিচিত। এটা অধ্যায় বা পাঠৰ শিকন সমাপ্তিৰ পিছত, আমি সদায় বিষয়টোৰ ওপৰত জ্ঞান আহৰণ আৰু বোধৰ আয়ত্বকৰণৰ সম্পৰ্কে জানিব বিচাৰো আৰু প্ৰত্যেক ব্যক্তিৰ ইচ্ছাকৃত কৃতিত্ব আৰু তেওঁ অৰ্জন কৰা কৃতিত্বৰ তুলনা কৰো। অন্য ভাষাত, আমি শিক্ষণৰ উৎপাদনৰ মান নিৰ্ধাৰণ কৰো। এই প্ৰক্ৰিয়াটোক "শিক্ষণৰ মান নিৰ্ধাৰণ" বুলি কোৱা হয় আৰু এইটো সাধাৰণতে এটা অধ্যায় বা পাঠৰ শেষত কৰা হয়। দ্বিতীয়টো পৰিস্থিতিত মি ৰোহনে শিক্ষণ-শিকন প্ৰক্ৰিয়া চলি থকা অৱস্থাতে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ মান নিৰ্ধাৰণ কৰে। তেওঁ মান নিৰ্ধাৰণৰ ফলাফলক শিক্ষণৰ উন্নতি আৰু তেওঁৰ শিকন প্ৰক্ৰিয়াৰ ক্ষেত্ৰত ব্যৱহাৰ কৰে। ই হৈছে আগৰ অধ্যায়ত আলোচনা কৰা বিকাশশীল মান নিৰ্ধাৰণ আৰু ইয়াৰ "শিক্ষণৰ বাবে মান নিৰ্ধাৰণ" বোলা হয়। মিচ সোহাৰ ছাত্ৰ-ছাত্ৰীসকলে মান নিৰ্ধাৰণৰ গুণসমূহ স্থিৰ কৰে, যিবোৰে শিক্ষণ প্ৰক্ৰিয়াক উপযুক্ত পথেৰে প্ৰচলিত কৰাত সহায় কৰে আৰু শিক্ষণ প্ৰক্ৰিয়াৰ উন্নতি আৰু সংশোধন কৰে। সেইবাবে ইয়াক 'শিক্ষণ হিচাপে মান নিৰ্ধাৰণ" বোলা হয়।

আমি যেতিয়া শিক্ষণৰ মান নিৰ্ধাৰণৰ সৈতে অতি পৰিচিত, সেইবাবে আমি শিক্ষণ-কেন্দ্ৰিক প্ৰক্ৰিয়াৰ আন দুটা দিশৰো আলোচনা কৰো আহক।

### ১৪.২.১ শিক্ষণৰ মান নিৰ্ধাৰণ (Assessment of Learning) ঃ

শিক্ষণৰ মান নিৰ্ধাৰণ সেইবোৰ দিশৰ মানদণ্ডৰ সৈতে জড়িত— মৌখিক, পাৰদৰ্শিতা আৰু লিখিত বা এই দুয়োটাৰ মিশ্ৰণ এটা অধ্যায়ৰ শেষত অনুষ্ঠিত কৰা হয়। এনে ধৰণৰ মান নিৰ্ধাৰণৰ ব্যৱহাৰৰ দ্বাৰা আপোনালোকে নিজৰ ছাত্ৰ-ছাত্ৰীসকলৰ সামৰ্থ বিচাৰ কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ধাৰণা বা অভিজ্ঞতাৰ সংশ্লেষণ আৰু নিৰ্দেশনা এই সময়ছোৱাত আহৰণ কৰিব পাৰিব। শিক্ষণৰ মান নিৰ্ধাৰণৰ ফলাফল ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ বিকাশৰ পৰ্যবেক্ষণৰ ক্ষেত্ৰত সাৰ্বজনীনভাৱে স্বীকৃত নিৰ্দেশক। এইবোৰ বিভিন্ন দিশৰ তুলনাৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰা হয় যেনে— বিভিন্ন বিষয়ত ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা, শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তুলনা, আন্তঃস্কুলৰ তুলনা ইত্যাদি। ফলাফলসমূহ পৰৱৰ্তী সময়ত পাঠ্যক্ৰমৰ কাৰ্যসূচী পৰিকল্পনা কৰাত, বৰ্তমান বা পৰৱৰ্তী বিদ্যায়তনিক বৰ্ষতো ব্যৱহাৰ কৰা হয়। ইয়াৰ পিছত, শিক্ষণৰ মান নিৰ্ধাৰণৰ ফলাফলসমূহ নম্বৰ বা গ্ৰেডত প্ৰকাশ কৰা হয়। আৰু এইবোৰ স্কুলীয়া শিক্ষণৰ সৈতে জড়িত সকলোৰে বাবে পৰিচিত, যিসমূহ আপোনালোকে আগৰ অধ্যায়ত পাই আহিছে।

আহিলা আৰু কৌশলসমূহ (Tools and Stratagies) ঃ শিক্ষণৰ এই মান নিৰ্ধাৰণত আপোনালোকে কাৰ্য্যৰ প্ৰকৃতিৰ বিভিন্নতা অনুযায়ী বিভিন্ন আহিলা আৰু কৌশলসমূহ ব্যৱহাৰ কৰিবলগীয়া হয়। আগৰ অধ্যায়ত উল্লেখ কৰা ধৰণে, আপোনালোকে লাগতিয়াল তথ্যসমূহৰ পৰিয়াল আৰু ধৰণ অনুযায়ী উদ্দেশ্যপূৰ্ণভাৱে আহিলা আৰু কৌশলসমূহ নিৰ্বাচন কৰিব লাগে। শিক্ষণৰ মান নিৰ্ধাৰণৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা কিছুমান আহিলাৰ উদাহৰণ হৈছে পৰীক্ষাত ব্যৱহাৰ হোৱা বিভিন্ন প্ৰশ্নসমূহ, ক্ষুদ্ৰ তথ্য সংগ্ৰহ (ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ গুৰুত্বপূৰ্ণ ঘটনা, যিবোৰৰ মান নিৰ্ধাৰণ কৰিব ওলোৱা কাৰ্য্যৰ সৈতে সম্পৰ্ক আছে), নিৰূপক কাঠী, চিহ্নাংকনসূচী ইত্যাদি। মান নিৰ্ধাৰণৰ কৌশলসমূহে নিৰীক্ষণ, ছাত্ৰ-ছাত্ৰীৰ প্ৰতিক্ৰিয়া (লিখিত, মৌখিক), ছাত্ৰ-ছাত্ৰীৰ সৈতে আলোচনা।

**আকাংখিত দায়িত্বসমূহ (Expected Responsibilities) ঃ** এগৰাকী শিক্ষক হিচাপে আপুনি অনুভৱ কৰিব লাগিব যে শিক্ষণৰ মান নিৰ্ধাৰণৰ সমগ্ৰ প্ৰক্ৰিয়া আৰু ইয়াৰ বাবে কৰিবলগীয়া সকলো কাৰ্যসমূহ আপোনাৰ ওপৰতে নিৰ্ভৰ কৰে। তলত কিছুমান দিশ উল্লেখ কৰা হ'ল যিবোৰৰ প্ৰতি আপুনি মনোযোগ দিয়া দৰকাৰ।

- আপুনি চাব লাগিব যে মান নিৰ্ধাৰণ কাৰ্য্যৰ উদ্দেশ্যসমূহ বা কাৰ্য্যসমূহ যাতে ছাত্ৰ-ছাত্ৰীয়ে স্পষ্ট ৰূপত বুজি পায়।
- কাৰ্য্যসমূহ শেষ কৰাৰ বাবে উপযুক্ত সময় নিৰ্ধাৰণ কৰি দিব লাগিব।
- কাৰ্য্য সমাপ্ত কৰাৰ ক্ষেত্ৰত কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ প্ৰতি আপুনি সজাগ হ'ব লাগিব।
- আপুনি সিদ্ধান্ত স্থিৰ কৰাৰ বাবে উপযুক্ত পৰিমাণত প্ৰমাণ সংগ্ৰহ কৰিব লাগিব।

**কাৰ্য্য ঃ ২**

আপোনাৰ স্কুলৰ শিক্ষণৰ মান নিৰ্ধাৰণৰ দিশৰ সৈতে আপুনি ভালদৰে পৰিচিত। ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষণ আৰু কৃতিত্বৰ গুণগত মান উন্নত কৰিবলৈ কিছুমান কাৰ্য্য সন্নিবিষ্ট কৰি এখন তালিকা প্ৰস্তুত কৰক, যিবোৰ কাৰ্য্যৰ দ্বাৰা মান নিৰ্ধাৰণ কাৰ্য্য ফলৱতী হয়।

আপুনি ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰা নম্বৰ/গ্ৰেড সম্পৰ্কে আপোনাৰ শক্তিশালী বিবেচনা থাকিব লাগিব।

## শিক্ষণৰ মান নিৰ্ধাৰণ ফলপ্ৰসু কৰি তোলা
## (Making Assessment of Learning effective)

তলত কিছুমান দিশ উল্লেখ কৰা হৈছে, যিবোৰে শিক্ষণৰ মান নিৰ্ধাৰণ বৈধ আৰু ভাল কৰি তুলিব, আপুনিও এইসমূহৰ প্ৰতি সচেতন হ'ব লাগিব।

- আপুনি যথেষ্ট পৰিমাণে প্ৰমাণ সংগ্ৰহ কৰিব লাগিব (লিখিত, মৌখিক বা সম্পাদকীয়), তেতিয়াহে ছাত্ৰ-ছাত্ৰীৰ কৃতিত্বৰ সম্পৰ্কে সঠিক ছবি দাঙি ধৰাটো আপোনাৰ পক্ষে সম্ভৱ হ'ব। কেৱল লিখিত পৰীক্ষাত নিৰ্ভৰ কৰিলে সঠিক কাৰ্য্যত উপনীত হ'ব পৰা নাযাব।
- আপুনি বিভিন্ন ধৰণৰ কৌশলসমূহ প্ৰয়োগ কৰি প্ৰমাণ সংগ্ৰহ কৰিব লাগিব, যাতে সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজ শিক্ষণ দেখুৱাব পাৰে। যদি আপুনি এটা লিখিত পৰীক্ষা অনুষ্ঠিত কৰি শিক্ষণৰ মান নিৰ্ধাৰণৰ প্ৰমাণ স্বৰূপে ৰাখে, এইটো বেছি ভাগতে সম্ভৱ হ'ব যে বহুত সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰশ্নৰ উত্তৰ লিখাৰ সময়ত অসুবিধাৰ সন্মুখীন হৈছে। এনেদৰে, তেওঁলোকক নিম্ন পৰ্যায়ৰ গ্ৰেড/নম্বৰ প্ৰদান কৰা হ'ব, যদিও তেওঁলোকে অন্য কিছুমান কাৰ্য্যত হয়তো ভাল ফলাফল দেখুৱাব পাৰিলেহেঁতেন।
- মান নিৰ্ধাৰণৰ কাৰ্য্য/আহিলাৰ ভিতৰত ছাত্ৰ-ছাত্ৰীয়ে নিৰ্বাচন কৰিব পৰাকৈ পৰ্যাপ্ত পৰিমাণে সুবিধা থাকিব লাগে।

- যদিও আপোনালোকে নিজৰ ছাত্ৰ-ছাত্ৰীৰ এক নিৰ্দিষ্ট পাঠৰ ক্ষেত্ৰত শিক্ষণৰ তথ্য আহৰণ কৰে, তেতিয়া আপোনালোকে শিক্ষণৰ মান নিৰ্ধাৰণৰ ক্ষেত্ৰত এক স্থিৰ আৰু নতুন তথ্যৰ ওপৰত ভিত্তি কৰিব লাগে।

- কোনো এটা অধ্যায়ৰ ওপৰত মান নিৰ্ধাৰণ কৰাৰ আগতে, আপোনালোকে চাব লাগে যে প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীক যাতে অনুশীলনৰ বাবে উপযুক্ত সুবিধা আৰু প্ৰতিপুষ্টি প্ৰদান কৰা হয় যাতে তেওঁলোকে অগ্ৰগতি লাভ কৰিব পাৰে।

- আপোনালোকে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিক্ৰিয়া বা পাৰদৰ্শিতাৰ ওপৰত নম্বৰ বা গ্ৰেড প্ৰদান কৰাৰ ক্ষেত্ৰত যথেষ্টভাৱে সচেতন হোৱা উচিত, এই ক্ষেত্ৰত কোনো ধৰণৰ পক্ষপাতিত্ব কৰিব নেলাগে। আগতে উল্লেখ কৰা ধৰণে, আপোনালোকে নম্বৰ বা গ্ৰেড নিজৰ বৃত্তিৰ বিচাৰ অনুযায়ী প্ৰদান কৰিব যাতে যেতিয়া প্ৰয়োজন হয় তেতিয়া আপোনালোকে নম্বৰ বা গ্ৰেডৰ বিচাৰ কৰিব পাৰিব।

- যেতিয়া আপোনালোকে কিছুমান ছাত্ৰ-ছাত্ৰীৰ ফলাফলৰ ক্ষেত্ৰত তাৰতম্য বা উঠা-নমা দেখা পায়, তেতিয়া সেইবোৰ পুনৰীক্ষণ কৰিব, আৰু যদিহে প্ৰয়োজনীয় বুলি ভাবে, তেন্তে এনেবোৰ ছাত্ৰ-ছাত্ৰীৰ ঘৰৰ আৰু স্কুলৰ শিক্ষণ পৰিবেশ পৰ্য্যবেক্ষণ কৰি তেনে ধৰণৰ তাৰতম্য হোৱা ফলাফলৰ প্ৰকৃত কাৰণ নিৰ্ণয় কৰিব।

**প্ৰশ্ন ১ ঃ** তলৰ কোনটো উদাহৰণ শিক্ষণৰ মান নিৰ্ধাৰণৰ সৈতে জড়িত নহয়?

(ক) বছৰেকীয়া পৰীক্ষা

(খ) গৃহ কাৰ্য্যৰ মান নিৰ্ধাৰণ

(গ) বৃত্তি পৰীক্ষা

**প্ৰশ্ন ২ ঃ** প্ৰাথমিক বিদ্যালয়ৰ বছৰেকীয়া পৰীক্ষাত লাভ কৰা নম্বৰ/গ্ৰেড শ্ৰেণীৰ পৰীক্ষাৰ উত্তীৰ্ণৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰিনে?

### ১৪.২.২ শিক্ষণৰ বাবে মান নিৰ্ধাৰণ (Assessment for Learning) ঃ

শিক্ষণৰ মান নিৰ্ধাৰণৰ কথা ভাবকচোন, য'ত মান নিৰ্ধাৰণৰ ফলাফল কোনো এটা পাঠ অধ্যায়ৰ শেষত বা এটা নিৰ্দিষ্ট সময়ৰ শেষত লাভ কৰা যায়। এটা অধ্যায়ৰ শেষত লাভ কৰা প্ৰতিপুষ্টি ই বেছি দেৰি হৈ যায় নেকি?

যদি এজন ছাত্ৰই নিজ শিক্ষণৰ প্ৰতিপুষ্টি অধ্যায়ৰ শেষত নহৈ উপযুক্ত সময়ত লাভ কৰে তেতিয়া সম্ভৱতঃ সি/তাই নিজ পাৰদৰ্শিতাৰ উন্নতি সাধন কৰিবলৈ শিক্ষণৰ পথ নিৰ্দিষ্ট কৰি ল'ব পাৰে। সেইবাবে, মান নিৰ্ধাৰণ তেতিয়া ফলপ্ৰসু হয়, যেতিয়া ইয়াক ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ উন্নতি সাধন কৰিবলৈ বিশেষভাৱে সজোৱা হয় আৰু তাৰ বাবে, সঘনে মান নিৰ্ধাৰণ আৰু প্ৰতিপুষ্টিক লগ লগাব লাগে। এনে ধৰণৰ মান নিৰ্ধাৰণক শিক্ষণৰ বাবে মান নিৰ্ধাৰণ বুলি কোৱা হয়।

শিক্ষণৰ বাবে মান নিৰ্ধাৰণৰ প্ৰধান উদ্দেশ্যসমূহ তলত দাঙি ধৰা হ'ল—

- প্ৰত্যেক শিশুকে সি/তাই কি কৰিছে জানিব দিয়ক, কিহৰ উন্নতি কৰিব তাক বুজিব দিয়ক আৰু কেনেকৈ লাভ কৰিব তাক বুজিব দিয়ক। অবিৰতভাৱে নিজ শিক্ষণৰ উন্নতি সাধন কৰিবলৈ শিশুসকলক অভিৰোচিত কৰাৰ ক্ষেত্ৰত সহযোগ কৰক।
- প্ৰত্যেক শিক্ষককে ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ প্ৰাপ্তি জনাৰ ক্ষেত্ৰত সুবিধা প্ৰদান কৰক, তেওঁ শিশুসকলৰ অগ্ৰগতি আৰু নীতি সম্পৰ্কে বুজিব দিয়ক, আৰু তেওঁলোকৰ মান নিৰ্ধাৰণ ফলাফল প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ উন্নতিৰ ক্ষেত্ৰত কেনেকৈ প্ৰয়োগ কৰা হ'ব জানিব দিয়ক, বিশেষকৈ যিবোৰ নিজৰ সুপ্ত সামৰ্থবোৰৰ প্ৰয়োগ কৰাত ব্যৰ্থ হয়।
- প্ৰত্যেক পিতৃ-মাতৃকে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে কি কৰিছে সেই সম্পৰ্কে জানিব দিয়ক, এই দিশৰ উন্নতিৰ বাবে তেওঁলোকে কি কৰিব লাগিব, আৰু কেনে ধৰণে তেওঁলোকে নিজৰ ল'ৰা-ছোৱালী আৰু শিক্ষকক সহযোগ কৰিব সেই বিষয়েও জানিব দিয়ক।

শিক্ষণৰ বাবে মান নিৰ্ধাৰণৰ (AFL) দুটা দিশ আছে— প্ৰাৰম্ভিক বা নিৰ্ণয়কাৰী মান নিৰ্ধাৰণ আৰু বিকাশশীল মান নিৰ্ধাৰণ।

**নিৰ্ণয়কাৰী মান নিৰ্ধাৰণ (Diagnostic Assessment) ঃ** এনে প্ৰকাৰৰ মান নিৰ্ধাৰণ কোনো এটা অধ্যায়ৰ শিক্ষণ আৰম্ভণি কৰাৰ আগতে কৰা হয়, যাতে ছাত্ৰ-ছাত্ৰীয়ে পাঠটোৰ বিষয়ে কি জানে আৰু কি নেজানে তাক নিৰ্ধাৰণ কৰিব পৰা যায়। এই প্ৰকাৰৰ মান নিৰ্ধাৰণে আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষণৰ ক'ত বা কি পৰ্যায়ত আছে আৰু তেওঁলোকৰ শিক্ষণৰ স্তৰৰ উন্নতি সাধন কৰিবলৈ কেনে ধৰণৰ কাৰ্য্য উপযুক্ত হ'ব তাক নিৰ্ণয় কৰাত সহায় কৰে। উদাহৰণস্বৰূপে, যদি আপুনি ষষ্ঠ শ্ৰেণীত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ বিষয়ে শিকাবলৈ পৰিকল্পনা কৰে, তেতিয়া আপুনি জানিব লাগিব যে ছাত্ৰ-ছাত্ৰীসকলে ভূচিত্ৰাৱলী ব্যৱহাৰ কৰাৰ সৈতে পৰিচিত। যদি আপুনি গম পায় যে শ্ৰেণীৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে ভূচিত্ৰাৱলী ব্যৱহাৰ কৰিব জানে, তেতিয়া আপুনি শ্ৰেণীৰ বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীৰ ভূচিত্ৰাৱলী প্ৰয়োগ কৰাৰ কামত নিয়োগ কৰি, সৰু দল এটা দলক কেনেকৈ ভূচিত্ৰাৱলী প্ৰয়োগ তাক শিকাব পাৰিব।

**বিকাশশীল মান নিৰ্ধাৰণ (Formative Assessment)** হৈছে এনে এক প্ৰকাৰৰ মান নিৰ্ধাৰণ, যাৰ দ্বাৰা শিক্ষণ প্ৰক্ৰিয়াৰ সময়ত আপুনি তথ্য সংগ্ৰহ কৰিব পাৰিব, যেতিয়া এটা পাঠৰ অধ্যয়নৰে অগ্ৰগতিৰ ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আৰু কৌশল, শিক্ষণৰ ব্যৱধান নিৰ্ণয় কৰিব পৰা যায়। আপুনি বিকাশশীল মান নিৰ্ধাৰণৰ ফলাফল শিক্ষণক নিৰ্দেশনা দিয়াৰ ক্ষেত্ৰত আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুসৰি শিকনৰ কৌশলৰ সময়মতে পৰিবৰ্তন কৰিব পাৰিব। এটলাচ ব্যৱহাৰৰ উদাহৰণটো লওক, যিসকলে এটলাচ ব্যৱহাৰ কৰিব পাৰিছে তেওঁ তেওঁলোকক প্ৰতিপুষ্টি প্ৰদান কৰক আৰু সমাযোজন, পুনঃচিন্তা আৰু তেওঁলোকৰ শিক্ষণৰ সংলগ্ন কৰাৰ ক্ষেত্ৰত সুবিধা প্ৰদান কৰক।

- বিকাশশীল মান নিৰ্ধাৰণৰ জৰিয়তে, আপুনি যদি পায় যে বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে কি শিকাইছে তাক বুজি পোৱা নাই। তেন্তে আপুনি বেলেগ/বিকল্প পদ্ধতি প্ৰয়োগ কৰি

তেওঁলোকক শিকাব লাগিব। তাৰ পিছতহে পাছৰ পাঠলৈ যাব পাৰিব।

**তলত শিক্ষণৰ বাবে মান নিৰ্ধাৰণৰ (AFL) বৈশিষ্টসমূহ দাঙি ধৰা হ'ল—**

- প্ৰত্যেক শিক্ষাৰ্থীয়ে সবলতাৰ দিশ আৰু প্ৰত্যেকৰে প্ৰয়োজনীয়তাসমূহ জানিব লাগিব।
- ই বৰ্ণনামূলক প্ৰকৃতিৰ আৰু বিচাৰমূলক নহয় বাবে ইয়াক মূল্যায়ন কৰিব নেলাগে।
- উচ্চ গুণমানযুক্ত প্ৰতিপুষ্টি প্ৰদানেৰে, ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকে কি ভাল কৰিছে, ক'ত তেওঁলোকে কঠিনতা পায়, আৰু নিজৰ কামৰ উন্নতিৰ বাবে পৃথকভাৱে কি কৰিব লাগিব ইত্যাদিৰ বিষয়ে ই ছাত্ৰ-ছাত্ৰীসকলক জনায়।
- যিহেতু শিক্ষাৰ্থীসকলক প্ৰচলিত শিক্ষণত অগ্ৰগতি লাভ কৰাৰ বাবে প্ৰতিপুষ্টি প্ৰদান কৰা হয়, শিক্ষণ প্ৰক্ৰিয়াত অবিৰত আৰু সঘনে মান নিৰ্ধাৰণ কৰা হয়।
- ই ছাত্ৰ-ছাত্ৰীৰ কাৰ্য্য আৰু শিক্ষণৰ কাৰণবোৰ প্ৰতিফলিত কৰে আৰু সেইবোৰৰ উন্নতিৰ বাবে কাৰ্য্যপন্থা হাতত লয়।
- ই আশা কৰে যে যাতে ছাত্ৰ-ছাত্ৰীয়ে ভুল কৰে আৰু তেতিয়া তেওঁলোকৰ শিক্ষণৰ উন্নতিৰ বাবে ভুলসমূহ পৰীক্ষা কৰাৰ বাবে নিৰ্দেশনা দিয়া হয়।
- ই ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ কাৰ্য্যৰ স্বসংগঠিত আৰু সমনীয়াৰ পৰীক্ষাক অন্তৰ্ভুক্ত কৰে।
- ই পৰিকল্পিত আৰু ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ সুবিধাৰ সহায়ক, যাতে তেওঁলোকে শিক্ষণৰ মান নিৰ্ধাৰণৰ পাৰদৰ্শিতাৰ উন্নতি সাধন কৰিব পাৰে, যিবোৰ গ্ৰেড প্ৰদান আৰু জনোৱা কাৰ্য্যও ব্যৱহাৰ কৰা হ'ব।

The UK Assessment Reform Group (1999)য়ে চিনাক্ত কৰে যে শিক্ষণৰ বাবে মান নিৰ্ধাৰণৰ (Assessment for Learning) প্ৰধান পাঁচটা নীতি হৈছে—

১। ছাত্ৰ-ছাত্ৰীক ফলপ্ৰসু প্ৰতিপুষ্টি প্ৰদানৰ সুবিধা।

২। নিজ শিক্ষণত ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণ।

৩। মান নিৰ্ধাৰণৰ ফলাফলৰ সৈতে শিকনৰ সমাযোজন।

৪। ছাত্ৰ-ছাত্ৰীৰ আত্ম উপলব্ধি আৰু অভিৰোচনৰ ওপৰত মান নিৰ্ধাৰণৰ গভীৰ প্ৰভাৱ চিনাক্তকৰণ, যি দুয়োবিধৰ শিক্ষণৰ ওপৰত প্ৰভাৱ আছে।

৫। ছাত্ৰ-ছাত্ৰীৰ নিজৰ মান নিৰ্ধাৰণৰ প্ৰয়োজনীতা আৰু ইয়াক উন্নতিৰ বিষয়ে বুজা।

**শিক্ষণৰ বাবে মান নিৰ্ধাৰণৰ অভিগমনসমূহ আৰু পদ্ধতিসমূহ ঃ**

যেতিয়া শ্ৰেণীকোঠাৰ পৰিবেশত ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ মান নিৰ্ধাৰণৰ পদ্ধতিসমূহ স্থিৰ কৰা হয়, তেতিয়া চাব লাগে যে এনে পদ্ধতিসমূহে আপোনাক মান নিৰ্ধাৰণৰ ক্ষেত্ৰত কিমানদূৰ সহায়

কৰিছে, ছাত্ৰ-ছাত্ৰীক গঠনমূলক প্ৰতিপুষ্টি প্ৰদান কৰিব পাৰিছেনে আৰু আপোনাৰ শিকনৰ ক্ষেত্ৰত প্ৰতিপুষ্টি লাভত সহায় কৰিছেনে।

এই ক্ষেত্ৰত চাৰিটা অভিগমন আছে—

শিক্ষকে পৰিচালিত মান নিৰ্ধাৰণ (বহল ভিত্তিক পদ্ধতিসমূহ যেনে লিখিত বা মৌখিক পৰীক্ষা, ছাত্ৰ-ছাত্ৰীৰ সৈতে আদান-প্ৰদান, কাৰ্য, ছাত্ৰ-ছাত্ৰীৰ কাৰ্যাৱলী পৰ্যবেক্ষণ ইত্যাদি)।

শিক্ষাৰ্থীৰ আত্ম মান নিৰ্ধাৰণ (নিজৰ পাৰদৰ্শিতাত আত্ম প্ৰতিফলন আৰু অন্যৰ মতামতত গুৰুত্ব)।

সমনীয়াৰ মান নিৰ্ধাৰণ (শিক্ষাৰ্থীৰ পাৰদৰ্শিতা আৰু প্ৰতিক্ৰিয়াত সহপাঠীৰ মান নিৰ্ধাৰণ)

কম্পিউটাৰভিত্তিক মান নিৰ্ধাৰণ (বিশেষভাৱে নিৰ্মিত ছফ্‌ট্‌ৱেৰৰ ব্যৱহাৰ)।

**শিক্ষণৰ বাবে মান নিৰ্ধাৰণৰ পৰিকল্পনা (Planning Assessment for Learning) ঃ**

শিক্ষণৰ বাবে মান নিৰ্ধাৰণৰ পৰিকল্পনা শ্ৰেণীকোঠাৰ শিক্ষণ-শিকনৰ এক অংশস্বৰূপ হোৱা প্ৰয়োজনীয় যিহেতু তেনে মান নিৰ্ধাৰণ শ্ৰেণীকোঠাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এক সমকালীন অংশ। শিক্ষণৰ ফলপ্ৰসু মান নিৰ্ধাৰণৰ বাবে, শ্ৰেণীকোঠাৰ শিক্ষণ-শিকন কাৰ্যাৱলীসমূহ প্ৰস্তুত কৰোতে আপুনি তলত উল্লেখ কৰা দিশসমূহৰ প্ৰতি গুৰুত্ব আৰোপ কৰিব লাগিব।

- শ্ৰেণীকোঠাত যি ধাৰণা/গোট/পাঠৰ ওপৰত আদান-প্ৰদান চলি থাকে তাৰ শিক্ষণৰ ফলাফলৰ উপযুক্ত মান নিৰ্ধাৰণ উদ্দেশ্য বিশেষভাৱে দেখুৱাব লাগে।
- শিক্ষণৰ বাবে মান নিৰ্ধাৰণ কাৰ্য চলি থকাৰ এক স্পষ্ট ছবি দাঙি ধৰিব লাগে, যেনে ঃ

  — শব্দ, ছবি, ব্যাখ্যা আৰু/বা শ্ৰেণীকোঠাৰ ছাত্ৰ-ছাত্ৰীৰ কাৰ্যাৱলীৰ প্ৰদৰ্শন;

  — ছাত্ৰ-ছাত্ৰীসকলে সমনীয়া বা শিক্ষকৰ সৈতে তেওঁলোকৰ কাৰ্যৰ সহযোগিতামূলক মান নিৰ্ধাৰণত অংশগ্ৰহণ।

  — শিক্ষক আৰু অন্য ছাত্ৰ-ছাত্ৰীসকলৰ পৰা প্ৰতিপুষ্টি লাভ কৰি থকা;

  — ছাত্ৰ-ছাত্ৰীসকলৰ কাৰ্যৰ মান নিৰ্ধাৰণৰ ক্ষেত্ৰত শিক্ষকে বন্ধুত্বসুলভ ব্যৱহাৰ কৰা।
- মান নিৰ্ধাৰণৰ প্ৰক্ৰিয়াত উপযুক্ত পৰিমাণে নমনীয়তা থকা। যদি আপোনাৰ পৰিকল্পিত পদ্ধতিয়ে বাস্তৱ ক্ষেত্ৰত কাম নকৰে তেন্তে বিকল্প পদ্ধতি সদায় সাজু কৰি ৰখা।
- অনানুষ্ঠানিকভাৱে হ'লেও সদায় নিৰ্ণয়াত্মক মান নিৰ্ধাৰণৰ দ্বাৰা আৰম্ভ কৰিব লাগে—(Know-Want-learn) জনা লাগে শিক্ষণ (KWL)ৰ তালিকা প্ৰস্তুত কৰি। এই তালিকাখন সাধাৰণতে তিনিটা প্ৰধান দিশৰ দ্বাৰা সংগঠিত কৰা হয় ঃ আমি ইতিমধ্যে যি জানো; আমি যি জানিব বিচাৰো, আৰু আমি যি শিকিলো।
- আপুনি আৰু অন্য ছাত্ৰ-ছাত্ৰীসকলে সময়মতে প্ৰতিপুষ্টি প্ৰদানৰ সুবিধা আৰু প্ৰতিপুষ্টিত

ছাত্ৰ-ছাত্ৰীৰ উন্নতিৰ বাবে উপদেশ দিয়া কথা পালন কৰা। কেনেদৰে প্ৰতিপুষ্টি প্ৰদান কৰা হয় আৰু ইয়াক কেনেদৰে গ্ৰহণ কৰিব লাগে তাক ছাত্ৰ-ছাত্ৰীক জনোৱা।

- অবিৰত মানদণ্ড নিৰ্ধাৰণ আৰু শিক্ষণ অগ্ৰগতি নিৰীক্ষণৰ বাবে এক নিৰূপিত ব্যৱস্থাৰ বিকাশ কৰা, যিয়ে আপোনাৰ বাবে কাম কৰে।

**শিক্ষণৰ বাবে মান নিৰ্ধাৰণৰ প্ৰতিপুষ্টি (Feedback in Assessment for Learning) ঃ**

শিক্ষণৰ মান নিৰ্ধাৰণৰ প্ৰধান উদ্দেশ্য হৈছে শিক্ষণৰ উদ্দেশ্যত উপনীত হ'বলৈ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলক প্ৰতিপুষ্টি প্ৰদান কৰা। এনে প্ৰতিপুষ্টিসমূহ শিক্ষকে তেওঁলোকৰ নিৰ্দেশনা বিকাশ আৰু পুনঃৰীক্ষণৰ বাবে ব্যৱহাৰ কৰিব লাগে। শিক্ষণৰ মান নিৰ্ধাৰণৰ ক্ষেত্ৰত প্ৰতিপুষ্টিৰ ভূমিকা তলৰ চিত্ৰ ১৪.১ চাব পাৰিব।




**চিত্ৰ ১৪.১ ঃ শিক্ষণৰ বাবে মান নিৰ্ধাৰণত প্ৰতিপুষ্টি**

**গঠনমূলক প্ৰতিপুষ্টি প্ৰদান ঃ** মৌখিক আৰু লিখিত হৈছে শিক্ষণৰ বাবে মান নিৰ্ধাৰণৰ গুৰুত্বপূৰ্ণ দিশ। আপুনি এটা পৰিবেশৰ ভিতৰত প্ৰতিপুষ্টি প্ৰদান কৰিব পাৰিব; একেৰাহে বা অধিক পৰিকল্পিত পৰীক্ষা আৰু কাৰ্যত অনানুষ্ঠানিকভাৱে উত্তৰ প্ৰদান কৰাৰ দ্বাৰা। যেতিয়া ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিপুষ্টি প্ৰদান কৰা হয়, তেতিয়া তলত উল্লেখ কৰা দিশবোৰ বিবেচনা কৰিব লাগিব।

**যেতিয়া লিখিত প্ৰতিপুষ্টি প্ৰদান কৰা হয় ঃ**

- পাঠ্যসুচীত প্ৰতিক্ৰিয়া দেখুৱাব লাগে আৰু লিখাৰ ওপৰত প্ৰথমে বাৰ্তা দিব লাগে। বানান বা শুদ্ধ উচ্চাৰণৰ নিচিনা ভুলৰ ওপৰত গুৰুত্ব দিব নালাগে।
- পোনচাটেই ভুল লৈ যাব নেলাগে, প্ৰথমে উৎসাহিত কৰিব লাগে।
- যদি লিখাবোৰ দুৰ্বল হয়, তেন্তে এটা বা দুটা বিশেষ দিশ নিৰ্বাচন কৰিব লাগে। কাৰ্যসমূহ ৰঙা চিয়াঁহীৰ কটা দাগেৰে ভৰাই তুলিব নালাগে।
- বিশেষভাৱে গুৰুত্ব দিয়ক। ছাত্ৰ-ছাত্ৰীৰ দুৰ্বল অংশসমূহত য'ত বিশেষভাৱে দাগ দিয়া হৈছে

তাত ছাত্ৰ-ছাত্ৰীয়ে কি কৰিব লাগিব তাক নিৰ্ণয় কৰক।

- শুদ্ধ কৰিবলৈ ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰক। সাধাৰণভাৱে শুদ্ধ উত্তৰ, বানান ইত্যাদি লিখি নিদিব।

**যেতিয়া মৌখিক প্ৰতিপুষ্টি দিয়ে—**

- ইতিবাচক দিশত গুৰুত্ব দিব। ছাত্ৰ-ছাত্ৰীয়ে য'ত ভাল ফল দেখুৱাই তাত বিশেষভাৱে প্ৰতিপুষ্টি প্ৰদান কৰিব।
- যি পোৱা যায় সেইখিনি আনন্দৰে গ্ৰহণ কৰিব লাগে আৰু পৰৱৰ্তী সময়ত কোন দিশত উন্নতি লাভ কৰিব লাগিব আৰু কেনেকৈ লাগিব তাত গুৰুত্ব দিব লাগিব।
- ছাত্ৰ-ছাত্ৰীৰ মতামত আৰু তেওঁলোকৰ অৰিহণা বিচাৰিব। এইটোৱে তেওঁলোকক নিজৰ কাৰ্যৰ মান নিৰ্ধাৰণত সহায় কৰিব, ইয়াৰ দ্বাৰা তেওঁলোক স্ব-নিৰ্ভৰশীল হ'ব পাৰিব।
- আপুনি যি ভাল কৰে তাত ছাত্ৰ-ছাত্ৰীক মত প্ৰকাশ কৰিব দিব। প্ৰতিপুষ্টি একপক্ষীয় প্ৰক্ৰিয়া নহয়।
- এনে ধৰণে ক'ব "তোমালোকে ইয়াৰ বিষয়ে আৰু ক'ব বিচৰা নেকি?"
- কোনো এটা প্ৰশ্ন প্ৰদান কৰাৰ পিছিত বা প্ৰতিক্ৰিয়া কৰাৰ পিছত কিছু ছেকেণ্ড ৰ'ব, ছাত্ৰ-ছাত্ৰীয়ে যি কয় তাক সযতনে চাই তেওঁলোকক উৎসাহিত কৰিব—
- কিছুমান দিশৰ সাধাৰণীকৰণ পৰিত্যাগ কৰিব যেনে— "ইয়াত বহুত অসঠিকতা দেখা যায়।"

  ইয়াৰ পৰিবৰ্তে ছাত্ৰ-ছাত্ৰীৰ সৈতে আলোচনা কৰা বিশেষ দিশত গুৰুত্ব প্ৰদান কৰিব।
- প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে পৰিবৰ্তন কৰিব পৰা দিশত গুৰুত্ব দিব আৰু একেলগে তেওঁলোকক প্ৰতিপুষ্টি প্ৰদান কৰি অতিৰিক্ত বোজা জাপি নিদিব।
- যদি এটা দলৰ কেৱল এজন লোকক প্ৰতিপুষ্টি প্ৰদান কৰে, তেন্তে সাৱধান হ'ব। আনবোৰে শুনিলে কিবা ভাবিব নেকি?
- একেলগে আগবাঢ়ি যাব পৰা পথবোৰ চাব। সদায় আপুনি নিজৰ পৰামৰ্শ প্ৰদানক এৰি ছাত্ৰ-ছাত্ৰীৰ সৈতে ভাব বিনিময় কৰিব আৰু সমাধান বিচাৰিব।
- আপোনালোক দুয়ো পক্ষই যি ফলাফল পায় তাত মান্তি হ'ব। ই নতুন দিশ সামৰি লোৱাত বা শিক্ষণৰ সুবিধাৰ পৰিকল্পনা কৰাত সহায় কৰিব।
- ব্যক্তিগত বা দলীয় পৰিবেশত য'ত খাপ খাই তাত আপোনাৰ অভিগমন গ্ৰহণ কৰিব।

মাজে সময়ে আমি শ্ৰেণীকোঠাত বা যেতিয়া ছাত্ৰ-ছাত্ৰীসকল কাৰ্যবোৰত ব্যস্ত থাকে তেতিয়া অলিখিত আৰু অ-মৌখিক প্ৰতিপুষ্টি ব্যৱহাৰ কৰো। এইবোৰ কিছুমান দৈহিক অংগী-ভংগী যেনে

বিশেষ এজন ছাত্ৰৰ প্ৰতি চকু দিয়া, আঙুলিয়াই ভাল বা বেয়া কোৱা, মূৰ জোকাৰা, হাঁহিৰে সমৰ্থন কৰা আদি।

ফলপ্ৰসু প্ৰতিপুষ্টিৰ বাবে, ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাত মৌখিক বা লিখিতভাৱে প্ৰদান কৰিব লাগে। এই ক্ষেত্ৰত তলৰ দিশবোৰ বিবেচনা কৰা উচিত।

— পলম নোহোৱাকৈ প্ৰতিপুষ্টি প্ৰদান কৰিব লাগে, নহ'লে প্ৰতিপুষ্টিৰ সামঞ্জস্য হেৰাই যাব।

— ছাত্ৰ-ছাত্ৰীসকলক স্বাধীন শিক্ষণৰ অভ্যাস গঢ়ি তোলাত সহায় কৰিবলৈ নম্বৰৰ পৰিৱৰ্তে সঠিক, বিৱৰণমূলক উক্তিসমূহৰ ব্যৱহাৰ কৰক।

— ছাত্ৰ-ছাত্ৰীৰ সবলতা আৰু দুৰ্বলতা সম্পৰ্কে উক্তিসমূহ অন্তৰ্ভুক্ত কৰিব লাগে আৰু কেনেদৰে উন্নতি কৰিব পাৰে সেই দিশত পৰামৰ্শ দিব লাগে।

— ছাত্ৰ-ছাত্ৰীসকলক এটা বা দুটা শিক্ষণৰ লক্ষ্য ধাৰ্য কৰি দিব লাগে যাতে পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীসকলে তাক অৰ্জন কৰিব পাৰে।

বিভিন্ন গৱেষণাবিদসকলে প্ৰমাণ কৰিছে যে শিক্ষণৰ বাবে মান নিৰ্ধাৰণৰ সময়তে দিয়া প্ৰতিপুষ্টি ইতিবাচক আৰু ফলপ্ৰসু। হাটীয়ে (Hattie 2002) নিৰীক্ষণ কৰিছে যে শিক্ষণৰ ভুলৰ ক্ষেত্ৰত প্ৰদান কৰা প্ৰতিপুষ্টি আৰু ছাত্ৰ-ছাত্ৰীয়ে সেইবোৰ শুধৰোৱা তথা ভৱিষ্যতৰ কাৰ্য উন্নতিৰ বাবে কৌশলসমূহৰ চিনাক্তকৰণ সাফল্যৰ হাৰ বৃদ্ধিৰ সৈতে পোনপতীয়াভাৱে সম্বন্ধযুক্ত।

সাফল্যৰ এটা সংস্কৃতি সৃষ্টি কৰাত, য'ত ছাত্ৰ-ছাত্ৰীসকলে বিশ্বাস কৰে যে তেওঁলোকে কৃতিত্ব পাব, তেনেক্ষেত্ৰত এগৰাকী শিক্ষক হিচাপে আপুনি চাব যাতে তলৰ দিশসমূহৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ ধাৰণা স্পষ্ট হয়—

— তেওঁলোকে কি কৰিব বিচাৰে

— ইয়াৰ কেনেদৰে মান নিৰ্ধাৰণ হ'ব,

— তেওঁলোকে কি ভাল কৰিছে, আৰু

— কি ভুল হৈছে আৰু ইয়াক শুদ্ধ কৰিবলৈ কি কৰা প্ৰয়োনজীয়।

ব্লেক আৰু উইলিয়ামৰ (Black and William 1999) উল্লেখ কৰে যে, সামৰ্থ আৰু প্ৰতিযোগিতাক আনৰ সৈতে তুলনা কৰিব নেলাগে। বাটলাৰ (Butler 1988) মত দিয়ে যে, গঠনাত্মক মতামত ব্যৱহাৰ কৰা প্ৰতিপুষ্টিয়ে ৩৩% পাৰদৰ্শিতা বৃদ্ধি কৰিব পাৰে। নিম্ন পৰ্যায়ৰ সাফল্য লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰৰ তেওঁলোকৰ পাৰদৰ্শিতাৰ ক্ষেত্ৰত নম্বৰ প্ৰদানে নেতিবাচক প্ৰভাৱ পেলায়।

---

প্ৰঃ ৩— শিক্ষণৰ বাবে মান নিৰ্ধাৰণৰ যিকোনো দুটা উপযোগিতা লিখক।

প্ৰঃ ৪— গৃহকাৰ্যৰ মান নিৰ্ধাৰণৰ ক্ষেত্ৰত আটাইতকৈ উপযুক্ত প্ৰতিপুষ্টিৰ ধৰণটো কি?

(ক) ৰঙা চিনেৰে দাগ দিয়াবোৰ শুদ্ধ কৰা

(খ) লিখিত ধৰণৰ ওপৰত বিশেষ মতামত দিয়া।

(গ) কেৱল ভাব-ভংগীৰে আলোচনা

প্ৰঃ ৫— শিক্ষণৰ বাবে মান নিৰ্ধাৰণ গঠনাত্মক মান নিৰ্ধাৰণৰ এটা ধৰণ হয় নে? আপোনাৰ উত্তৰৰ যুক্তি দিয়ক।

---

### ১৪.২.৩ শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণ (Assessment as Learning) ঃ

আমি নিজৰ বা আনৰ পাৰদৰ্শিতা নিৰ্ণয় কৰোতে যেতিয়া নতুন অভিজ্ঞতা লাভ কৰো, তেতিয়া শিক্ষা আৰু মান নিৰ্ধাৰণৰ মাজত থকা পাৰ্থক্য নাইকিয়া হয়। তেনে ক্ষেত্ৰত মান নিৰ্ধাৰণ শিক্ষণ প্ৰক্ৰিয়া হৈ পৰে।

**পৰিস্থিতি ৪ ঃ**

সপ্তম শ্ৰেণীৰ ছাত্ৰ অনন্তই এটা স্থান পাবলৈ নিজৰ কাৰ্যসমূহ গোটাইছিল যাতে শিক্ষক আৰু তেওঁৰ সহপাঠীসকলে ইয়াৰ মান নিৰ্ণয় কৰিব পাৰে। যেতিয়া তেওঁৰ কামবোৰ লগ লগাই উপযুক্তভাৱে সজাইছিল, তেতিয়া তেওঁ স্থান নিৰ্ধাৰণৰ নিৰ্দেশসমূহৰ তালিকা কৰাৰ বাবে চেষ্টা কৰিছিল। তেওঁ আগৰ অভিজ্ঞতাসমূহ মনত পেলাইছিল আৰু গম পাইছিল যে তেওঁ কোনো আৰ্হি বা মানচিত্ৰ সংগ্ৰহ কৰা কাৰ্য্যত অন্তৰ্ভুক্ত কৰা নাছিল। তেওঁ ভাবিছিল যে এনে সামগ্ৰীসমূহৰ অবিহনে তেওঁৰ সংগ্ৰহ অসম্পূৰ্ণ হ'ব। কিছুমান আৰ্হি আৰু তেওঁৰ জিলাৰ এখন মানচিত্ৰ বনোৱাৰ পাছত, তেওঁ পুনৰ সামগ্ৰীসমূহ সজোৱাৰ বাবে চেষ্টা কৰিছিল। ইয়াত বহু ধৰণৰ সামগ্ৰী আছিল যেনে— দুখন ৰচনা, স্কুলৰ আলোচনীত প্ৰকাশিত এটা গল্প, বিভিন্ন উৎসৰ পৰা সংগৃহীত পাঁচটা গাণিতিক কাৰ্য, 'সকলোৰে বাবে শিক্ষা''ৰ ওপৰত চাৰিটা শ্ল'গান, বিভিন্ন বস্তুৰ দ্বাৰা নিৰ্মিত আৰ্হি, জিলাৰ মানচিত্ৰ, ৰঙীন শিলৰ গুটিৰ সংগ্ৰহ। তেওঁ চিন্তা কৰিছিল কেনেকৈ সংগ্ৰহীত বস্তুবোৰ আকৰ্যনীয়কৈ সজাই শিক্ষক আৰু সহপাঠীসকলৰ মন আকৰ্ষণ কৰিব পাৰে, যিসকলে তেওঁৰ স্থানৰ মান নিৰূপণ কৰিব। তেওঁ এটা পৰিকল্পনা কৰিছিল। তেওঁ এটা গল্প বনাইছিল আৰু তাৰ ওপৰত ভিত্তি কৰি কিছুমান অতিৰিক্ত পোষ্টাৰ তৈয়াৰ কৰিছিল আৰু ইয়াৰ ভিতৰতে তেওঁ এনেদৰে বস্তুবোৰ সজাইছিল, যাতে নিৰীক্ষকে গল্পৰ শাৰীবোৰ চাই অনন্তই কৰা কাৰ্য এটাও নোচোৱাকৈ নেথাকে আৰু লগতে কোনো সামগ্ৰীকে অসামঞ্জস্য হিচাপে গণ্য নকৰে।

তলৰ পৰিবেশটো বিবেচনা কৰক।

অনন্তই কৰা কাৰ্যসমূহ চাওঁ আহক।

— তেওঁ মান নিৰ্ধাৰণৰ বাবে নিজে সংগ্ৰহ কৰা বস্তুবোৰ সজাবলৈ চেষ্টা কৰিছিল।

— তেওঁ মান নিৰ্ধাৰণ দিশবোৰৰ (শিক্ষণ ফলাফল) তালিকা কৰিছিল।

— মান নিৰ্ধাৰণৰ বাবে তেওঁ প্ৰয়োজনীয় বুলি ভবা কিছুমান নতুন বস্তুৰ তেওঁ বিকাশ কৰিছিল।

— তেওঁ পুনৰ সজাবলৈ চেষ্টা কৰিছিল কিন্তু উৎপাদিত সামগ্ৰীসমূহ অপ্ৰাসংগিক আছিল।

— তেওঁ এটা অৰ্থপূৰ্ণ দিশেৰে সজাব বিচাৰিছিল, আৰু তেওঁ এটা গল্প সাজিছিল আৰু পিছত

সজোৱা কাৰ্যসমূহ কৰিছিল।

সকলো সময়তে অনন্তই মান নিৰ্ধাৰণৰ বাবে এটা বস্তু প্ৰস্তুত কৰিছিল আৰু একে সময়তে তেওঁ নিজকে আৰু তেওঁৰ সামগ্ৰীসমূহ— এইবোৰৰ সামঞ্জস্যতা, জোখ আদিক শিক্ষণৰ ফলাফল (মান নিৰ্ধাৰণৰ নিৰ্দেশকসমূহ) সৈতে জুখি চাইছিল। আপোনালোকে ভাবেনে যে মান নিৰ্ণয়ৰ সময়ত তেওঁ শিকিছিল আৰু মান নিৰ্ণয় তেওঁৰ বাবে শিক্ষণৰ বস্তুনে?

মান নিৰ্ধাৰণৰ তিনিটা প্ৰকাৰৰ ভিতৰত শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণ অতি কঠিন। তথাপি ই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অতি প্ৰয়োজনীয় কৌশলক ধৰি ৰখা আৰু স্বাধীন শিক্ষণৰ অগ্ৰগতিৰ বাবে অপৰিহাৰ্য। আন অভিগমনসমূহতকৈ তুলনামূলকভাৱে শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণ সম্পূৰ্ণভাৱে ছাত্ৰ-ছাত্ৰীৰ নিয়ন্ত্ৰণাধীন। ই মান নিৰ্ধাৰণ আৰু শিক্ষণৰ মাজত গুৰুত্বপূৰ্ণ সংযোগকাৰী স্বৰূপে শিক্ষাৰ্থীৰ ওপৰত গুৰুত্ব দিয়ে।

শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণৰ তেতিয়া আৰম্ভণি হয় যেতিয়া শিক্ষাৰ্থীসকল তেওঁলোকৰ নিৰ্দেশনাৰ লক্ষ্যৰ প্ৰতি আৰু পাৰদৰ্শিতাৰ চৰ্তৰ প্ৰতি আৰু লক্ষ্যত উপনীত হ'বলৈ কৰা প্ৰচেষ্টাৰ প্ৰতি সজাগ হয়। এই প্ৰক্ৰিয়াত তেওঁলোক লক্ষ্য নিৰ্ধাৰণ, অগ্ৰগতি নিৰীক্ষণ আৰু ফলাফল প্ৰতিফলনত অন্তৰ্ভুক্ত হৈ পৰে। ইয়াৰ পৰা বুজা যায় যে শিক্ষণত লাগি থাকিও ছাত্ৰ-ছাত্ৰীসকলে মান নিৰ্ধাৰণৰ সকলো দায়িত্ব লয়। যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ চিন্তন প্ৰক্ৰিয়াক বিশ্লেষণ কৰিবলৈ সমৰ্থ (অৰ্থাৎ তেওঁৰ নিজৰ জনা প্ৰক্ৰিয়া সম্পৰ্কে জ্ঞাত) তেওঁলোকে শিক্ষণ প্ৰক্ৰিয়াত সংঘটিত শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণক ফলপ্ৰসুভাৱে ব্যৱহাৰ কৰিব পাৰে।

**লৰনা এম. এৰিল** (২০০৬) (Lorna M. Earl 2006) মতে, শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণ এটা বিশ্বাসৰ ওপৰত ভিত্তি কৰে যে ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ শিক্ষণ উপযোগী, নমনীয় আৰু স্ব-নিৰ্ভৰ শীল কৰি সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ধৰণৰ সুবিধা প্ৰদান কৰে তেওঁলোকৰ জনাৰ প্ৰক্ৰিয়াক শিক্ষণৰ জৰিয়তে প্ৰতিফলিত কৰিবলৈ। এইবোৰক কিছুমান দিশৰ মাজেৰে সম্পন্ন কৰা হয়— যেনে মগজুত ধুমুহাৰ সৃষ্টিকৰণ, দলীয় আলোচনা, সহযোগী শিক্ষণৰ পৰিবেশ, সমনীয়া আৰু আত্ম মান নিৰ্ধাৰণ। এগৰাকী শিক্ষক হিচাপে আপুনি কৰিব লগা ভাল কামটো হৈছে ছাত্ৰ-ছাত্ৰীসকলক আত্ম মান নিৰ্ধাৰণ আৰু সমনীয়াৰ দ্বাৰা মান নিৰ্ধাৰণৰ প্ৰতি 'মান্তি কৰাব লাগে, এইবোৰে শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণৰ ক্ষেত্ৰত সহায় কৰিব।

আত্ম মান নিৰ্ধাৰণে ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰা দিশবোৰ হৈছে—

— তেওঁলোকৰ নিজ শিক্ষণক প্ৰতিফলিত কৰাৰ ক্ষেত্ৰত;

— তেওঁলোকৰ সবলতাসমূহ চিনাক্ত কৰাৰ ক্ষেত্ৰত আৰু যিবোৰ দিশত তেওঁলোকৰ উন্নতি কৰাৰ সম্ভাৱনা থাকে যিবোৰ কৃতিত্বৰ স্তৰৰ সৈতে জড়িত;

— লক্ষ্য নিৰ্ধাৰণ আৰু শিক্ষণৰ পৰৱৰ্তী স্তৰ চিনাক্তকৰণ;

— জনাৰ প্ৰক্ৰিয়াৰ কৌশলৰ বিকাশ;

— আত্ম নিৰ্ভৰশীল, আত্ম নিৰ্দেশক ছাত্ৰ-ছাত্ৰী

— স্থান অনুযায়ী তেওঁলোকৰ কৰ্ম নিৰ্বাচন, যিবোৰে তেওঁলোকৰ অগ্ৰগতি আৰু প্ৰচেষ্টাক প্ৰতিনিধিত্ব কৰে।

সমনীয়াৰ মান নিৰ্ধাৰণে ছাত্ৰ-ছাত্ৰীসকলক তলত দিয়া ধৰণে সহায় কৰে—

— সমনীয়াৰ সৈতে কথা-বতৰা আৰু শিক্ষণক কিছুমান দিশেৰে সান্ত্বনা দিয়া।

— কেনেকৈ গঠনমূলক বাহ্যিক প্ৰতিপুষ্টি যিবোৰ স্পষ্ট গুণাৱলীৰ ভিত্তিত গঢ়ি উঠে তাক দিয়া আৰু ল'বলৈ শিকিব লাগে।

— বাহ্যিকভাৱে গঠন হোৱা ধাৰণা কৌশলসমূহৰ অনুশীলন আৰু কাৰ্যাৱলীৰ যোগেদি শিকন।

---

প্ৰশ্নঃ ৬— তলৰ কোনটো পৰিবেশত শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণ সম্ভৱ হয়?

(ক) গোট পৰীক্ষা (খ) দলীয় পৰীক্ষা

(গ) দলীয় শিক্ষণ (ঘ) সহযোগী শিক্ষণ

প্ৰশ্নঃ ৭— শিক্ষণৰ বাবে মান নিৰ্ধাৰণ আৰু শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণৰ মাজৰ পাৰ্থক্য দাঙি ধৰক।

---

**১৪.৩ মান নিৰ্ধাৰণ পৰিকল্পনাৰ নক্সা (Designing Assessment Plan) ঃ**

যদি আপুনি ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ অগ্ৰগতিৰ ভাল মান নিৰ্ধাৰণৰ লক্ষ্য ৰাখে, তেতিয়া আপুনি শিক্ষণ আৰ্হি, প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীৰ সবলতা বিচাৰ কৰিব লাগিব। আপুনি মনত ৰাখিব লাগিব যে মান নিৰ্ধাৰণ হৈছে শিক্ষণ প্ৰক্ৰিয়াৰ এক এৰাব নোৱাৰা অংশ আৰু শিক্ষণ শিকন কাৰ্যাৱলী বা শিক্ষককেন্দ্ৰিক কাৰ্য্যৰ নহয়। ই হৈছে নমনীয়, আকাংক্ষিত শিক্ষণ ফলাফলৰ দ্বাৰা পৰিচালিত আৰু শিক্ষণৰ এক অপৰিহাৰ্য অংগ শিক্ষণৰ প্ৰক্ৰিয়াৰ দৰে অবিৰত। সেইবাবে মান নিৰ্ধাৰণৰ পৰিকল্পনা শ্ৰেণীৰ শিক্ষণ-শিকন কাৰ্য্যাৱলীৰ এক অংশ হোৱা উচিত। যেতিয়া শ্ৰেণীকোঠাৰ মান নিৰ্ধাৰণৰ বাবে পৰিকল্পনা কৰা হয়, যেতিয়া আপুনি মৌলিক চৰ্তসমূহ বিবেচনা কৰিব লাগিব ঃ

মান নিৰ্ধাৰণৰ অভিগমনসমূহ ঃ এই অধ্যায়টোত আলোচনা হোৱা তিনিটা অভিগমনক লোৱাৰ বাবে কোৱা হ'ব, তেতিয়া আপুনি স্থিৰ কৰিব লাগিব ইয়াৰ মাজেৰে কেনেকৈ যাব আৰু কোনটো অভিগমনক আপুনি আটাইতকৈ বেছি পছন্দ কৰিব। শিক্ষণক আগবঢ়াই নিয়াৰ দিশৰ পৰা, শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণ হৈছে সৰ্বশেষ অভিগমন কিন্তু আমাৰ নিচিনা শ্ৰেণীকোঠাত য'ত বিভিন্ন সামৰ্থৰ শিক্ষাৰ্থী থাকে তাত ইয়াক গ্ৰহণ কৰাটো সহজ নহয়। শিক্ষণৰ মান নিৰ্ধাৰণ হৈছে আটাইতকৈ পৰিচিত অভিগমন আৰু স্কুল পৰিচালনাৰ আৰু পাঠ্যক্ৰমৰ দিশৰ পৰাও ইয়াৰ গুৰুত্ব আছে। যিয়েই নহওক, দৈনন্দিন শ্ৰেণীৰ আদান-প্ৰদানত, শিক্ষণৰ বাবে মান নিৰ্ধাৰণৰ শ্ৰেণীকোঠাৰ শিক্ষণ প্ৰক্ৰিয়াত অনস্বীকাৰ্য্য অংশ হিচাপে ব্যৱহাৰ হ'ব লাগে।

**মান নিৰ্ধাৰণৰ উদ্দেশ্য (Purpose of assessment) ঃ** আপোনালোকে থকা মান নিৰ্ধাৰণৰ প্ৰকাৰসমূহৰ বিশেষ উদ্দেশ্যসমূহ স্পষ্টভাৱে উল্লেখ কৰাটো প্ৰয়োজনীয়। এইটোৱে আপোনাৰ লগতে আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলোকো সহায় কৰিব। যিটো মান নিৰ্ধাৰণৰ ধৰণ তেওঁলোকে ব্যৱহাৰ কৰিব তাৰ বাবে যি নিৰ্দেশনাৰ জৰিয়তে কাম কৰিব তাৰ বাবেই উদ্দেশ্য জনাটো প্ৰয়োজন হ'ব। শিক্ষাৰ্থীৰ স্তৰ অনুযায়ী আহিলা আৰু কৌশলসমূহ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত আপোনাক মান নিৰ্ধাৰণৰ প্ৰকাৰৰ বিশেষীকৰণে সহায় কৰিব।

**শিক্ষণ ফলাফলৰ স্পষ্টতা (Clarity in Learning outcomen) ঃ** মান নিৰ্ধাৰণৰ উদ্দেশ্য আৰু অভিগমন শিকোৱা পাঠ। গোটৰ আকাংক্ষিত শিক্ষণৰ ফলাফলৰ প্ৰকৃতিৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়। যদি এটা পাঠ শিকনৰ উদ্দেশ্য কেৱল জ্ঞান আহৰণ কৰা হয়, তেতিয়া মান নিৰ্ধাৰণৰ বাবে কেৱল এটা লিখিত পৰীক্ষাই যথেষ্ট। কিন্তু যদি উদ্দেশ্যসমূহ বেছি হয় যেনে বোধ, প্ৰয়োগ, বিশ্লেষণ, সংশ্লেষণ বা সৃজনশীলতা আদিৰ বিকাশ, তেন্তে ক্ষেত্ৰত বিভিন্ন পদ্ধতিসমূহৰ সংযোগত শিক্ষাৰ্থীৰ শিক্ষণৰ অগ্ৰগতিৰ লক্ষ্য ৰখাটো মান নিৰ্ধাৰণৰ উদ্দেশ্য হ'ব লাগিব। শিক্ষাৰ্থীৰ শিক্ষণৰ বিৱৰণ অবিৰতভাৱে পাবলৈ শিক্ষণৰ বাবে মান নিৰ্ধাৰণ বা শিক্ষণ স্বৰূপ মান নিৰ্ধাৰণ হৈছে বেছি নিৰ্বাচন কৰিবলগীয়া অভিগমন।

**ফলপ্ৰসু মান নিৰ্ধাৰণৰ লক্ষ্য (Vision of effective Assessment) ঃ** যেতিয়া এটা মান নিৰ্ধাৰণৰ কাৰ্য্যসূচীৰ পৰিকল্পনা কৰা হয়, তেতিয়া আপোনাৰ এটা স্পষ্ট ধাৰণা থাকিব লাগিব যে কাৰ্য্যসূচীৰ সময়ত কি হ'ব। যদি আপুনি শিক্ষণৰ মান নিৰ্ধাৰণ কৰিব বিচাৰে, তেতিয়া আপুনি শ্ৰেণীকোঠা বা পৰীক্ষা কোঠাৰ ভাল আৰু উপযুক্ত পৰিবেশসমূহ যেনে— তেওঁলোকৰ বহাৰ সুবিধা, কোঠাৰ পৰিস্কাৰ-পৰিচন্নতা, ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ অনুশাসন, ভালদৰে প্ৰস্তুত কৰা প্ৰশ্নকাকত, অপৰ্য্যাপ্ত পৰিমাণে লিখাৰ সামগ্ৰী, কিতাপ নথকা বা অন্য সহায়ক সামগ্ৰী নথকা আদিবোৰত চকু দিব লাগিব। সেইদৰে, আপুনি শ্ৰেণীকোঠাটো চাব লাগিব, য'ত শিক্ষণৰ বাবে মান নিৰ্ধাৰণ বা শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণক উৎসাহিত কৰা হয়। এনে ধৰণৰ পৰ্যবেক্ষণে আপোনাক ফলপ্ৰসু মান নিৰ্ধাৰণৰ কাৰ্যসূচীৰ পৰিকল্পনা কৰাত সহায় কৰিব।

**সময়ৰ সুবিধা (Provision of Time) ঃ** শিক্ষণৰ মান নিৰ্ধাৰণ প্ৰয়োগ কৰিবলৈ এটা পাঠৰ শেষত/অধ্যায়ৰ শেষত নতুবা এটা বিদ্যায়তনিক বৰ্ষৰ শেষত আপোনাক বিশেষ সময়ৰ প্ৰয়োজন হ'ব। যিহেতু আপুনি কিছুমান ক্ষেত্ৰত যেনে প্ৰশ্নকাকত প্ৰস্তুত, বহাৰ সুবিধা, উত্তৰবহীৰ পুনৰীক্ষণ, ফলাফল সংৰক্ষণ আৰু বিতৰণ, আদিবোৰৰ বিস্তৃতভাৱে প্ৰস্তুতি কৰিব লাগিব, আপুনি এনে ধৰণৰ মান নিৰ্ধাৰণৰ বাবে আগতিয়াকৈ পৰিকল্পনা কৰিব লাগিব। আমি নিশ্চিত যে গোট পৰীক্ষাৰ বাবে (অধ্যায়/পাঠৰ শেষত) অতি কম সময়ৰ প্ৰয়োজন, যেনে এটা সাধাৰণ শ্ৰেণীৰ সময়। আপুনি মনত ৰাখিব লাগিব যে শিক্ষণৰ মান নিৰ্ধাৰণৰ বাবে প্ৰয়োজনীয় সময় স্কুলৰ শিক্ষণৰ সময়ৰ ভিতৰতে হ'ব লাগিব। যদি আপুনি এনে মান নিৰ্ধাৰণৰ বেছি সময় দিয়ে, তেতিয়া স্কুলৰ শিক্ষণৰ সময়ৰ পৰিমাণ স্বাভাৱিকতে কমি আহিব।

যিয়েই নহওক, শিক্ষণৰ বাবে মান নিৰ্ধাৰণ আৰু শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণ যিহেতু শ্ৰেণীৰ শিক্ষণ প্ৰক্ৰিয়াৰ এৰাব নোৱাৰা অংশ, সেইবাবে আপোনাক ইয়াৰ বাবে বিশেষভাৱে সময়ৰ প্ৰয়োজন

নাই। আপোনাৰ শ্ৰেণীৰ বাবে যি প্ৰয়োজন বা আপুনি সেই সময়খিনিত যি কৰাব বিচাৰে সেইবোৰ আপুনি পাঠ পৰিকল্পনাত উল্লেখ কৰিব লাগে।

**ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা (Students involvement)** ঃ শিক্ষণৰ মান নিৰ্ধাৰণত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা কেৱল পৰীক্ষাৰ প্ৰতি প্ৰতিক্ৰিয়াতে সীমাবদ্ধ ৰখা হয়, তেওঁলোকে শিক্ষণৰ বাবে মান নিৰ্ধাৰণত সক্ৰিয় অংশগ্ৰহণ কৰে, শিক্ষাৰ্থীসকলে বিভিন্ন শিক্ষণৰ কাৰ্য্যাৱলীত অংশগ্ৰহণ কৰে, শিক্ষক আৰু সমনীয়াৰ কথাত প্ৰতিক্ৰিয়া দেখুৱাই, সন্দেহ ৰৈ যোৱা বিষয়বোৰত স্পষ্ট হ'বলৈ প্ৰশ্ন কৰে, নিজৰ সহপাঠীসকলক সহায় আৰু এনেধৰণৰ বিভিন্ন কাৰ্যত অংশ লয়। শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণ সম্পূৰ্ণৰূপে শিক্ষাৰ্থীৰ দ্বাৰা পৰিচালিত হয়। আপুনি কেৱল ইয়াৰ বাবে তেওঁলোকক সুবিধা প্ৰদান কৰিব লাগে।

**শ্ৰেণীকোঠাৰ পৰিবেশ (Classroom environment)** ঃ শ্ৰেণীত শিক্ষণৰ মান নিৰ্ধাৰণ কাৰ্য্যৰ সময়ত, আমি সাধাৰণতে সচেতন হ'ব লাগে যাতে শ্ৰেণীত বা ওচৰৰ সমগ্ৰ পৰিবেশতে ছাত্ৰ-ছাত্ৰীয়ে প্ৰশ্নৰ উত্তৰৰ বাবে কোনো ধৰণৰ ইংগিত নেপায়। কিন্তু অন্য দুই ধৰণৰ মান নিৰ্ধাৰণত, শ্ৰেণীকোঠাৰ পৰিবেশ শিক্ষণ সামগ্ৰীৰে পৰিপূৰ্ণ হৈ থাকিব লাগে। শিক্ষণৰ বাবে মান নিৰ্ধাৰণ আৰু শিক্ষণ স্বৰূপ মানে নিৰ্ধাৰণ শ্ৰেণীৰ বেৰ, মজিয়া আৰু সকলো ঠাইসমূহে ছাত্ৰ-ছাত্ৰীক চিন্তা, প্ৰতিফলন আৰু নতুন ভাবধাৰা সৃষ্টিৰ বাবে প্ৰয়োজনীয় দিশৰ ক্ষেত্ৰত অনুপ্ৰেৰণা যোগাব লাগে।

**প্ৰতিপুষ্টিৰ সুবিধা (Provision of feedback)** ঃ মান নিৰ্ধাৰণ কাৰ্য্যও প্ৰতিপুষ্টিৰ গুৰুত্ব সম্পৰ্কে আমি ইতিমধ্যে আলোচনা কৰি আহিছো। শিক্ষাৰ মান নিৰ্ধাৰণৰ প্ৰতিপুষ্টিয়ে এটা সংখ্যা ব্যৱহৃত বা আখৰেৰে প্ৰদান কৰা গ্ৰেডৰ সৈতে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ স্তৰ অনুযায়ী ফলাফল দাঙিধৰে। ছাত্ৰ-ছাত্ৰীৰ উপৰিও এনে ধৰণৰ ফলাফল ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষণৰ সৈতে জড়িত পিতৃ-মাতৃ বা অন্য ব্যক্তিসকলকো জনোৱা হয়। কিন্তু শিক্ষণৰ বাবে মান নিৰ্ধাৰণত, প্ৰতিপুষ্টি সদায় তৎক্ষাণিক আৰু মৌখিক আৰু নতুবা ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰ বা কাৰ্য্যৰ বিৱৰণ, যাৰ বাবে কোনো বিস্তৃত পৰিকল্পনাৰ প্ৰয়োজন নহয়। যিয়েই নহওক, এনে বিৱৰণসমূহ শিক্ষাৰ্থীৰ প্ৰতিক্ৰিয়াৰ কাগজসমূহত সংৰক্ষণ কৰি ৰখা হয় বা সি/তাইৰ দৈনন্দিন ডায়েৰীত সংৰক্ষণ কৰা হয়, যিবোৰ পিতৃ-মাতৃৰ সৈতে ভাগ বতৰা কৰিব পাৰি। শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণত, শিক্ষাৰ্থীসকলে নিজৰ প্ৰতিফলনৰ ভিত্তিক প্ৰতিপুষ্টি লাভ কৰে আৰু বা সমনীয়াৰ পৰা লাভ কৰে যাৰ বাবে আপুনি কোনো সুবিধা দিব নালাগে।

**পৰিৱৰ্তনক সন্নিৱিষ্ট কৰা (In Clerpanating the change)** ঃ মান নিৰ্ধাৰণৰ সমগ্ৰ অনুশীলনটোৰেই হৈছে শিক্ষাৰ্থীৰ শিক্ষণৰ ক্ষেত্ৰত উন্নতি অনা। মান নিৰ্ধাৰণৰ ফলাফলৰ ওপৰত ভিত্তি কৰি আপোনালোকে আলোচনাৰ কাৰ্য্যক্ষম দিশবোৰৰ বিকাশ কৰিব লাগিব, শিক্ষাৰ্থীসকলৰ সৈতে আলোচনা কৰি ভুলবোৰ শুধৰাব লাগিব, শিক্ষণ উন্নতি আৰু শক্তিশালী কৰিব লাগিব। মান নিৰ্ধাৰণৰ চক্ৰ, শিক্ষণৰ সবলতা আৰু দুৰ্বলতা চিনাক্তকৰণ, উন্নতিৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা হাতত লৈ স্কুলীয়া বছৰবোৰত ছাত্ৰ-ছাত্ৰীসকলক উচ্চৰ পৰা উচ্চলৈ লৈ আগবাঢ়িব লাগিব।

**অবিৰত পৰ্যবেক্ষণৰ ব্যৱস্থা (System of Continuos Monitoring)** ঃ স্কুলত মান নিৰ্ধাৰণ কাৰ্যৰ অবিৰত আৰু গুণগত উন্নতিৰ বাবে এটা শিক্ষকৰ দলক পৰিকল্পনা পৰ্যবেক্ষণ, কাৰ্যকৰীকৰণ,

সংৰক্ষণ, ফলাফলৰ বিতৰণ আৰু সময়মতে তাৰ উপযুক্ত উপায় গ্ৰহণ কৰাৰ বাবে দায়িত্ব অৰ্পণ কৰিবলাগে। আকাংখিত শিক্ষণ ফলাফলৰ সৈতে সম্পৰ্ক ৰাখি এনে পৰ্যবেক্ষণ কৰিব লাগে।

**১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলো ঃ**

- এটা শ্ৰেণীৰ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ শিক্ষণৰ মান নিৰ্ধাৰণ আকাংখিত শিক্ষণৰ ফলাফলৰ ভিত্তিত কৰা হয়। শিক্ষণৰ ক্ৰম অনুযায়ী মান নিৰ্ধাৰণৰ উদ্দেশ্য আৰু সময়ক ভাগ কৰা হয়।
- শিক্ষণৰ মান নিৰ্ধাৰণ কিছুমান মান নিৰ্ধাৰণ যেনে মৌখিক, প্ৰদৰ্শনীয় আৰু লিখিত, এইবোৰৰ লগতে দুটা বা তাতকৈ বেছি দিশৰ সংযোজন, যিবোৰ এটা অধ্যায় বা গোটৰ শেষত কৰা হয় তাৰ সৈতে জড়িত। শিক্ষণৰ মান নিৰ্ধাৰণৰ ফলাফল নম্বৰ বা গ্ৰেড ব্যৱহাৰ কৰি সংৰক্ষণ কৰা হয় আৰু পৰৱৰ্তী গোটসমূহৰ পাৰদৰ্শিতাৰ উন্নতিৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়।
- শিক্ষণৰ বাবে মান নিৰ্ধাৰণ প্ৰধানকৈ ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ আগবঢ়াই নিবলৈ আৰু শিক্ষক আৰু সমনীয়াৰ পৰা অবিৰত প্ৰতিপুষ্টি পোৱাৰ বাবে কৰা হয়। শিক্ষণৰ বাবে মান নিৰ্ধাৰণ ফলপ্ৰসুভাৱে কৰিব পৰা কিছুমান উদাহৰণ হৈছে কাৰ্য্যৰ অনুশীলন, শ্ৰেণীকোঠাৰ কাৰ্য্যাৱলীৰ নিৰীক্ষণ, প্ৰকল্পত অন্তৰ্ভুক্তি আৰু স্থানৰ বিকাশ।
- শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণৰ মুখ্য উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলক নিজ শিক্ষণ প্ৰতিফলিত সুবিধা প্ৰদান কৰা। শিক্ষণ স্বৰূপে মান নিৰ্ধাৰণৰ উদাহৰণ হৈছে আত্ম মান নিৰ্ধাৰণ, অসমীয়াৰ মান নিৰ্ধাৰণ আৰু লক্ষ্য নিৰ্ধাৰিত কাৰ্য্যাৱলী।
- যেতিয়া মান নিৰ্ধাৰণৰ কাৰ্য্যসূচীৰ পৰিকল্পনা কৰা হয় তেতিয়া আপুনি বিভিন্ন দিশৰ প্ৰতি লক্ষ্য ৰাখিব লাগে যেনে আকাংখিত শিক্ষণ ফলাফল, ফলপ্ৰসু মান নিৰ্ধাৰণৰ স্পষ্ট ছবি, সময়ৰ সুবিধা, শিক্ষাৰ্থীৰ অংশগ্ৰহণ, উপযুক্ত শ্ৰেণীকোঠাৰ পৰিবেশ, প্ৰতিপুষ্টিৰ সুবিধা, মান নিৰ্ধাৰণৰ পৰ্যবেক্ষণৰ ব্যৱস্থা।

**১৪.৫ অগ্ৰগতি নিৰীক্ষণৰ বাবে আৰ্হি ঃ**

উত্তৰ ঃ

প্ৰঃ ১— খ

প্ৰঃ ২— নহয়,

প্ৰঃ ৪— খ

প্ৰঃ ৬— খ

**১৪.৬ অধিক জানিবলৈ ঃ**

**১৪.৭ অধ্যায়ৰ শেষৰ প্ৰশ্নাৱলী ঃ**

১। শিক্ষণৰ মান নিৰ্ধাৰণ আৰু শিক্ষণৰ বাবে মান নিৰ্ধাৰণৰ পাৰ্থক্য লিখক।

২। শিক্ষণৰ বাবে মান নিৰ্ধাৰণত প্ৰতিপুষ্টিৰ ভূমিকা বৰ্ণনা কৰক।